**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2026
**Time :** 9-25 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি চলিত বিত্তীয় বৰ্ষৰ বাজেটত প্ৰস্তাৱিত কেইবাটাও বিষয় কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লোৱা হয়। কেবিনেটে ৰাজ্যখনৰ আত্মসহায়ক গোটৰ মহিলাই ব্যক্তিগত ঋণৰ বাবদ ১০ লাখ টকা পৰ্যন্ত ষ্টাম্প ডিউটী ৰেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। আয়ুৰ্বেদিক চিকিৎসা গ্ৰহণ কৰি চিকিৎসক হিচাপে নিয়োজিতসকলৰ সুবিধাৰ্থে আজি মন্ত্ৰীসভাই নতুন সেৱা বিধিত অনুমোদন জনায়। অহা মাহৰ পৰা চৰকাৰে নিৰ্বাচনৰ পূৰ্বে দিয়া ধৰণে ৰেচন কাৰ্ডৰ বিপৰীতে দাইল আৰু চেনি দিয়াৰ কাম আৰম্ভ কৰাৰ বাবে কেবিনেটে সিদ্ধান্ত লৈছে। বিক্ৰীৰ বাবে চুক্তি থকা ভূমি পুনৰ বিক্ৰীৰ ক্ষেত্ৰত পঞ্জীয়নৰ ব্যৱস্থা কৰাৰ বাবে বিধানসভাত আইন প্ৰণয়নৰো আজি মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০০০

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৫৬ হাজাৰ ৬০৬ হেক্টৰৰো অধিক কৃষিভূমি প্লাৱিত হৈছে। বানপীড়িতসকলৰ বাবে স্থাপন কৰা ৯৬টা আশ্ৰয় শিবিৰত ১ লাখ ১৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অসমৰ সাম্প্ৰতিক প্ৰলয়ংকাৰী বানত হোৱা ধন-জনৰ ক্ষয়-ক্ষতিৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি শ্ৰীমতী মুৰ্মুৱে এই দুৰ্যোগত ক্ষতিগ্ৰস্ত সকলোৰে সুৰক্ষাৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে উদ্ধাৰ আৰু সাহায্য অভিযানত জড়িত হৈ থকা প্ৰতিগৰাকী ব্যক্তিৰ কুশল কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনযোগে কথা পাতে আৰু বানৰ ফলত হোৱা ক্ষয়-ক্ষতি, উদ্ধাৰ অভিযান আৰু প্ৰত্যাহ্বানৰ বুজ লয়। কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে প্ৰভাৱিত পৰিয়ালসমূহলৈ সাহায্য আগবঢ়োৱাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে শ্ৰী মোদীক অৱগত কৰে। প্ৰধানমন্ত্ৰীয়ে বানৰ ফলত ধন-জন হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা ব্যক্ত কৰে আৰু প্ৰাকৃতিক সমস্যাটোক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হৈছে বুলি আশ্বাস দিয়ে। কেন্দ্ৰীয় চৰকাৰে সাহায্য, পুনৰ বাসন আৰু পুনৰ নিৰ্মাণ প্ৰক্ৰিয়াত সৰ্বতোপ্ৰকাৰে সহায় কৰিব বুলিও তেওঁ আশ্বাস দিয়ে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বেয়াকৈ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

০০০০০০০০০

সাম্প্ৰতিক বান পৰিস্থিতিৰ সুযোগ লৈ একাংশ অসাধু ব্যৱসায়ীয়ে যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম মূল্যবৃদ্ধি কৰিব নোৱাৰে তাৰ বাবে চৰাইদেউ জিলা প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে সংকটকালীন সময়ত অতিৰিক্ত মূল্য লৈ গ্ৰাহকক হাৰাশাস্তি কৰা ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি আহ্বান জনাইছে। কোনো ব্যৱসায়ীয়ে অধিক মূল্য দাবী কৰিলে নাইবা ক'লা বজাৰত বিক্ৰী কৰিবলৈ চেষ্টা কৰিলে তাৎক্ষণিকভাৱে খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগক ৭০০২৩-৪৫৩৩৬ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

জিলা প্ৰশাসনে বানৰ বিপদসংকুল পৰিস্থিতি নেওচি একাংশ লোকে জলাশয়সমূহত মাছ ধৰি থকা বিষয়টো লক্ষ্য কৰি এনে কাৰ্যৰ বিৰুদ্ধেও কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা উলংঘা কৰা লোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হৈছে।

০০০০০০০০০

বানৰ পাছত ৰাজ্যত কৃষি খণ্ডক পুনৰ শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে কৃষি আন্তঃগাথনি পুঁজি আঁচনিৰ অধীনত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। কালি পৰ্যন্ত ৰাজ্যৰ ৮৯৩ গৰাকী কৃষক, কৃষক উৎপাদক সংস্থা আৰু কৃষি উদ্যোগীয়ে এই পুঁজিৰ অধীনত প্ৰায় এহেজাৰ ১৮১ কোটি ১৩ লাখ টকাৰ ঋণৰ সুবিধা দিয়া হৈছে। আজি গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কৃষি আন্তঃগাঁথনি পুজি বিষয়ক এখন কৰ্মশালা আৰু সজাগতা কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। এই অনুষ্ঠানত কৃষি মন্ত্ৰী পীযুষ হাজৰিকাও উপস্থিত থাকে।

এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হ'ল- কৃষি আন্তঃগাঁথনি উন্নয়নেৰে সমৃদ্ধিশালী অসম গঢ়ি তোলা। অনুষ্ঠানত অংশ লোৱাৰ পাছত কৃষিমন্ত্ৰী শ্ৰীহাজৰিকাই কয়, যে বানত ক্ষতিগ্ৰস্ত কৃষকসকলক শীঘ্ৰে কঠিয়া আৰু অন্য কৃষি সামগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। মন্ত্ৰীগৰাকী নিজে বান ক্ষতিগ্ৰস্ত জিলাকেইখনত কৃষকসকলৰ ক্ষয় ক্ষতিৰ বুজ লব বুলি উল্লেখ কৰে।

**বাইট- পিযুষ হাজৰিকা**

০০০০০০০০০

হাৰাৰেত অনুষ্ঠিত তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে জিম্বাব'ৱেক ৯০ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ভাৰতে জিম্বাব'ৱেক জয়ৰ বাবে ২২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত জিম্বাব'ৱেই ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৯ ৰানহে সংগ্ৰহ কৰে। এই জয়ৰে ভাৰতে শৃংখলা হস্তগত কৰিছে। কাইলৈ শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল একেটা স্থানত অনুষ্ঠিত হ'ব।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ